দেশ

বছৰি ১,৫০০ ড্রোন আৰু ৩০০ বাংকাৰ: ৰঙিয়াত আৰম্ভ হ'ল প্ৰতিৰক্ষা সঁজুলি নিৰ্মাণ প্ৰকল্প

কামৰূপ জিলাৰ ৰঙিয়াৰ তুলসীবাৰীত ১৫ একৰ ভূমিত স্পীড৪ ডিফেন্সে স্থাপন কৰিব সংহত প্ৰতিৰক্ষা উৎপাদন কেন্দ্ৰ।

প্ৰকাশ: ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৫ আপডেট: ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪১



Speed4 Defence Systems Pvt. Ltd. will set up an integrated defence manufacturing and advanced technology unit on about 15 acres at Tulsibari in Kamrup, bhoomi pujan by Chief Minister Himanta Biswa Sarma

অসমৰ প্ৰতিৰক্ষা উদ্যোগৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি কামৰূপ জিলাৰ ৰঙিয়াৰ তুলসীবাৰীত আৰম্ভ হৈছে ৰাজ্যখনৰ প্ৰথমটো প্ৰতিৰক্ষা সঁজুলি নিৰ্মাণ প্ৰকল্প। বছৰি ১,৫০০টা সামৰিক ড্রোন, ৩০০টা বাংকাৰ আৰু ১০০টা এণ্টি-ড্রোন ব্যৱস্থা নিৰ্মাণৰ লক্ষ্যৰে এই কাৰখানা স্থাপন কৰিব ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান ‘স্পীড ৪ ডিফেঞ্চ চিষ্টেমছ্ প্ৰাইভেট লিমিটেড’এ। অসম ঔদ্যোগিক উন্নয়ন নিগমৰ ঔদ্যোগিক এলেকাৰ ১৪ একৰ ভূমিত গঢ় লৈ উঠিব এই প্ৰকল্প। বুধবাৰে প্ৰকল্পটোৰ ভূমি পূজন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে টাটাৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ পিছত এয়া অসমক দেশৰ প্ৰতিৰক্ষা নিৰ্মাণ ব্যৱস্থাৰ সৈতে সংযোগ কৰাৰ আন এক

© 2026 NewzNow

গুৰুত্বপূৰ্ণ পদক্ষেপ। কাৰখানাটোত ড্ৰোন আৰু বাংকাৰৰ উপৰি বছৰি ৫,০০০টা পূৰ্ব-নিৰ্মিত সামৰিক শিবিৰৰ গাঁথনি নিৰ্মাণৰ পৰিকল্পনাও কৰা হৈছে। প্ৰকল্পটোৱে প্ৰাৰম্ভিক পৰ্যায়ত ১৫০গৰাকী লোকক নিযুক্তি দিব। পৰৱৰ্তী সময়ত উৎপাদন সম্প্ৰসাৰণৰ লগে লগে কৰ্মসংস্থাপনৰ সংখ্যা ৫০০লৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিৰক্ষা সঁজুলিৰ কাৰিকৰী বিকাশ আৰু নতুন উদ্ভাৱনৰ বাবে প্ৰতিষ্ঠানটোৱে আইআইটি গুৱাহাটীৰ সৈতে গৱেষণাভিত্তিক অংশীদাৰিত্ব গঢ়ি তুলিছে। এই অংশীদাৰিত্বৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলে ইণ্টাৰ্ণশ্বিপ আৰু কাৰিকৰী প্ৰশিক্ষণৰ সুবিধা লাভ কৰিব।

এই উদ্যোগৰ মূল ভিত্তি হৈছে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ‘অসম এৰোস্পেচ এণ্ড ডিফেঞ্চ মেনুফেকচাৰিং পলিচি ২০২৫’। এই নীতিৰ অধীনত বিনিয়োগকাৰীসকলক মূলধনী ৰাজসাহায্য, এছজিএছটিৰ ধন ঘূৰাই দিয়া, পৰিবহণ ৰাজসাহায্য আৰু উৎপাদনভিত্তিক বিশেষ ৰেহাই দিয়াৰ ব্যৱস্থা ৰখা হৈছে। বিনিয়োগ আকৰ্ষণৰ বাবে চৰকাৰে নীতিৰ অধীনত অতিৰিক্ত সুবিধা প্ৰদানৰ কথাও বিবেচনা কৰিছে।

ৰঙিয়াৰ এই প্ৰকল্পটো অসমৰ বৃহত্তৰ প্ৰতিৰক্ষা উদ্যোগ পৰিকল্পনাৰ অংশ। যোৱা ৩ নৱেম্বৰত ৰাজ্য চৰকাৰে মৰিগাঁও জিলাৰ নেলীত ১,৯৮৪ একৰ অৰ্থাৎ প্ৰায় ৬,০০০ বিঘা ভূমিত প্ৰতিৰক্ষা পাৰ্ক স্থাপনৰ বাবে অনুমোদন জনাইছিল। দেশৰ পূব সীমান্তৰ কাষতে প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণৰ উদ্যোগ গঢ়ি তুলিলে সীমান্তৱৰ্তী সামৰিক ঘাটিসমূহলৈ সঁজুলি যোগানৰ সময় আৰু দূ�ৰত্ব হ্ৰাস পাব বুলি চৰকাৰৰ যুক্তি। অৱশ্যে প্ৰতিৰক্ষা খণ্ডৰ বাবে অনুকূল ঔদ্যোগিক নীতি আৰু বিভিন্ন ৰাজসাহায্যৰ ব্যৱস্থা থাকিলেও ৰঙিয়াৰ এই ব্যক্তিগত প্ৰকল্পটোত মুঠ কিমান মূলধন বিনিয়োগ কৰা হ’ব, সেই বিত্তীয় তথ্য এতিয়াও উদ্যোক্তা বা চৰকাৰে ৰাজহুৱা কৰা নাই। একেদৰে জাগীৰোডৰ প্ৰস্তাৱিত প্ৰতিৰক্ষা পাৰ্কত ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ সম্ভাৱনাৰ কথা চৰ্চালৈ আহিছে যদিও বৃহৎ প্ৰতিৰক্ষা প্ৰতিষ্ঠানৰ সৈতে আনুষ্ঠানিক চুক্তি চূড়ান্ত হ’বলৈ এতিয়াও বাকী।

এতিয়া মূল প্ৰত্যাহ্বান হ’ব নিৰ্ধাৰিত সময়ৰ ভিতৰত ৰঙিয়াৰ কাৰখানাটোত বাণিজ্যিক উৎপাদন আৰম্ভ কৰা আৰু ভাৰতীয় সেনাবাহিনীৰ ক্ৰয় চুক্তি লাভ কৰা। এই প্ৰকল্পৰ সফলতাই উত্তৰ-পূব ভাৰতৰ প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণৰ কেন্দ্ৰ হিচাপে অসমৰ ভৱিষ্যৎ সম্ভাৱনাক এক নতুন দিশ দিব পাৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6175/defence-manufacturing-plant-rangia-assam-himanta